# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 13-04-2026
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

বাপতিসাহোন ৰঙালী বিহুৰ আজি উৰুকা। কাইলৈ অসমবাসীয়ে গৰু বিহুৰ দিনা পৰম্পৰাগত ৰীতি-নীতিৰে গৰুক গা ধুৱাই গোধনৰ শ্ৰীবৃদ্ধি কামনা কৰিব। গৰু বিহুৰ বাবে প্ৰয়োজনীয় মাখিয়তি, দীঘলতিকে ধৰি সামগ্ৰী সমূহ কিনিবলৈ ৰাজ্যৰ বজাৰ সমূহত বহু লোকৰ সমাগম হৈছে। কাইলৈ পুৱাই গ্ৰামাঞ্চলৰ জনসাধাৰণে নৈ, বিল আদিত গৰুক গা-ধুৱাই, লাও-বেঙেনা, হালধি আদি খুৱাই কৃষিৰ বাবে প্ৰয়োজনীয় গৰুৰ শ্ৰীবৃদ্ধিৰ বাবে পৰম্পৰা পালন কৰিব। পৰহিলৈ মানুহ বিহুৰ দিনা হেঁপাহৰ বিহুৱানখন আগবঢ়াই পৰস্পৰক বিহুৰ ওলগ যাঁচিব। অসমীয়া নতুন বছৰটিক আদৰাৰ বাবে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে জনসাধাৰণে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। ৰাজ্যজুৰি ঢোল-পেঁপা-গগনাৰ মাতত নান্দনিক পৰিৱেশৰ সৃষ্টি হৈছে। ৰঙালী বিহু উৎসাহ-উদ্দীপনাৰে উদযাপন কৰাৰ প্ৰস্তুতি হিচাপে ৰাজ্যৰ ঠায়ে ঠায়ে বিহু আৰু জনগোষ্ঠীয় নৃত্য তথা লোকবাদ্য বাদনৰ কৰ্মশালাসমূহ প্ৰায় অন্তিম পৰ্যায়ত উপনীত হৈছে। লতাশিলৰ গুৱাহাটী বিহু সন্মিলনীয়ে এইবেলি মহাৰজত জয়ন্তী পালন কৰিব। চাৰিদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা এইবাৰ এটা দিন জুবিন গাৰ্গৰ নামত উৎসৰ্গা কৰিব বুলি বিহু সন্মিলনীৰ উদ্‌যাপন সমিতিয়ে প্ৰকাশ কৰিছে।

আনহাতে, সদৌ গুৱাহাটী ছাত্ৰ সন্থাই কাইলৈ গৰু বিহুৰ দিনা ঐতিহ্যমণ্ডিত জজ খেলপথাৰত মুকলি বিহুৰ আয়োজন কৰিছে। এই অনুষ্ঠানত চলিত বৰ্ষটোত ৰাজ্যলৈ সুনাম কঢ়িয়াই অনা ব্যক্তিসকল পদ্মশ্ৰী বঁটাপ্ৰাপক হৰিচৰণ শইকীয়া, পখিলা লেকথেপি, ড০ যোগেশ দেউৰী, কবিন্দ পুৰকায়স্থ, নুৰুদ্দিন আহমেদ, সাহিত্য একাডেমী বঁটা প্ৰাপক দেৱব্ৰত দাস, সাহাইচুলি ব্ৰহ্মকে ধৰি বহুকেইগৰাকী সাহিত্যিক, সংগীত শিল্পী, খেলুৱৈক সম্বৰ্ধনা জনাব।

চৰাইদেউ জিলাতো বিহু উপলক্ষে উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। কৃষকসকলে গৰু বিহুৰ দিনা গৰুক গা ধুৱাই নতুন পঘা দিয়াৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। মাজুলী জিলাতো বিহু উপলক্ষে ৰাইজৰ মাজত ব্যাপক উছাহ পৰিলক্ষিত হৈছে।

কামৰূপ জিলাৰ বিভিন্ন প্ৰান্তত বিহুৰ কৰ্মশালা অনুষ্ঠিত হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ উদ্যোগত অসমী বহাগী মেলা অনুষ্ঠিত হৈছে।

বহিঃৰাজ্যৰ যন্ত্ৰচালিত তাঁতশালৰ গামোচা কোনো অসাধু ব্যৱসায়ীয়ে যাতে বিক্ৰী কৰিব নোৱাৰে তাৰবাবে অসম চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰ শিল্প বিভাগে বজাৰসমূহত সতৰ্ক দৃষ্টি ৰাখিছে।

০০০০

অধ্যাপক ৰমেশ চন্দ্ৰ ভৰদ্বাজ আৰু প্ৰয়াত কৰেন্দ্ৰ বসুমতাৰীলৈ ২০২৬ বৰ্ষৰ অষ্টম গুৰুদেৱ কালিচৰণ ব্ৰহ্ম বঁটা আগবঢ়োৱা হৈছে। অহা ১৮ এপ্ৰিলত গুৰুদেৱ কালিচৰণ ব্ৰহ্ম জয়ন্তী উপলক্ষে আয়োজিত অনুষ্ঠানত এই বঁটা প্ৰদান কৰা হ'ব। শিক্ষা, সমাজসেৱাকে ধৰি কেইবাটাও বিষয়ত আগবঢ়োৱা বৰঙণিৰ বাবে কালিচৰণ ব্ৰহ্ম ন্যাসে এই বঁটা প্ৰদান কৰি আহিছে। বঁটা প্ৰাপক অধ্যাপক ভৰদ্বাজ ভাৰতীয় দৰ্শনৰ পণ্ডিত আৰু তিনি দশকৰো অধিক কাল দিল্লী বিশ্ববিদ্যালয়ৰ বিদ্যায়তনিক অভিজ্ঞতাৰে পৰিপুষ্ট। তেওঁ মহৰ্ষি বাল্মিকী সংস্কৃত বিশ্ববিদ্যালয়ত প্ৰথমে সংস্কৃত বিষয়ৰ মুৰব্বী আৰু পাছলৈ উপাচাৰ্য্য হিচাপে দায়িত্ব নিৰ্বাহ কৰিছিল। ইপিনে, কৰেন্দ্ৰ বসুমতাৰীক সামাজিক, ৰাজনৈতিক ক্ষেত্ৰলৈ আগবঢ়োৱা বৰঙণিৰ বাবে মৰনোত্তৰভাৱে এই বঁটা আগবঢ়োৱা হৈছে। প্ৰয়াত বসুমতাৰীয়ে ১৯৮৩-৮৬ চনলৈ সদৌ বড়ো ছাত্ৰ সন্থাৰ সভাপতি হিচাপে দায়িত্ব নিৰ্বাহ কৰিছিল। ১৯৯১ৰ পৰা ৯৬ আৰু ২০০১ৰ পৰা ২০১১ চনলৈ তেওঁ অসম বিধানসভাৰ সদস্য হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল।

০০০০

গুৱাহাটী মহানগৰীৰ চচলত দিছপুৰ আৰক্ষীয়ে সীমান্ত আৰক্ষীৰ সহযোগত এটি কিশোৰসহ ৪ জন বাংলাদেশী নাগৰিকক আটক কৰিছে। দিছপুৰ অঞ্চলত ভাৰাতীয়া হিচাপে থকা আব্বাছ আলী নামৰ আন এজন ব্যক্তিকো আৰক্ষীয়ে আটক কৰিছে। আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰা মতে কামৰ সন্ধানত অহা বাংলাদেশী নাগৰিককেইজনে দালাল আব্বাছ আলীৰ সহযোগত অবৈধভাৱে ভাৰতত প্ৰৱেশ কৰিছিল। ইতিমধ্যে আৰক্ষীয়ে তেওঁলোকক নিজ দেশলৈ উভতাই পঠিওৱাৰ ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে ঘটনা সন্দৰ্ভত আব্বাছ আলীৰ বিৰুদ্ধে এটা গোচৰ ৰুজু কৰিছে।

০০০০

ৰাজ্য বিধানসভা আৰু সংসদত মহিলাসকলৰ বাবে আসন সংৰক্ষণৰ পোষকতা কৰা নাৰী শক্তি বন্দন অধিনিয়মক লৈ অহা ১৬ এপ্ৰিলৰ পৰা তিনি দিনিয়াকৈ সংসদৰ বিশেষ অধিৰেশনত আলোচনা অনুষ্ঠিত হ'ব। এই অধিনিয়ম সন্দৰ্ভত নতুন দিল্লীত আয়োজিত সন্মিলনত আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাষণ দিয়ে। শ্ৰী মোদীয়ে নিজৰ ভাষণত ভাৰতৰ নাৰী শক্তিয়ে কঠোৰ পৰিশ্ৰম, সাহস আৰু আত্মবিশ্বাসেৰে সফলতাৰ শিখৰ স্পৰ্শ কৰিবলৈ সমৰ্থ হৈছে বুলি প্ৰকাশ কৰে। তেওঁ মহিলাৰ সৱলীকৰণৰ বাবে সকলোকে একগোট হৈ সুযোগ সমূহৰ প্ৰসাৰ ঘটাবলৈ আহ্বান জনায়।

০০০০

অসম বিধানসভা নিৰ্বাচনৰ মুঠ ভোটদানৰ হাৰ সলনি কৰি থকা হৈছে বুলি ৰাজ্যখনৰ একাংশ বাতৰি কাকত আৰু বৈদ্যুতিন মাধ্যমত প্ৰচাৰিত বাতৰি ভিত্তিহীন বুলি মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ৰ পৰা প্ৰকাশিত এটা বিজ্ঞপ্তিত স্পষ্ট কৰি দিয়া হৈছে। বিজ্ঞপ্তিটোত কোৱা হৈছে যে ভোটদানৰ সমগ্ৰ প্ৰক্ৰিয়াটো সম্পূৰ্ণ নোহোৱা পৰ্যন্ত মুঠ ভোটদানৰ পৰিসংখ্যা প্ৰকাশ কৰাটো সম্ভৱ নহয়। শ্ৰীভূমি জিলাৰ এটা ভোটগ্ৰহণ কেন্দ্ৰত পুনৰ ভোটগ্ৰহণ অনুষ্ঠিত কৰিবলগা হোৱাৰ বাবে যোৱা ১১ এপ্ৰিলত পুনৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া সম্পূৰ্ণ হৈছিল আৰু ইয়াৰ পাছতেই ভোটদানৰ সৰ্বমুঠ শতাংশ প্ৰকাশ কৰা হৈছে।

০০০০

কোকৰাঝাৰ জিলাৰ গোসাইগাঁৱৰ গুৱাবাৰীত বন্যহস্তীৰ আক্ৰমণত আজি এজন লোক নিহত হয়। নিহত লোকজন বাবুবিল অঞ্চলৰ ৰুস্তম আলী বুলি চিনাক্ত কৰা হৈছে।

০০০০

ঃঃ সমাপ্ত ঃঃ